এক প্ৰকাৰ অসমাপিকা ক্ৰিয়া।

**বৰ্তমান কালিক কৃদন্ত ঃ** কোনো এটা ক্ৰিয়া সম্পন্ন কৰাজনক নাইবা কোনো এটা ক্ৰিয়া কৰি থকা অৱস্থা বুজাবলৈ ধাতুৰ পাছত ক্ৰমে **-ওঁতা** আৰু **-ওঁতে** প্ৰত্যয় যোগ দিয়া হয়। এই **-ওঁতা** আৰু -ওঁতে প্ৰত্যয়ান্ত পদবোৰেই বৰ্তমানকালিক কৃদন্ত। যেনে, কৰোঁতা, পঢ়োঁতা, ৰাখোঁতা, খুৱাওঁতা, থাকোঁতে, চাওঁতে, কওঁতে, শুনোঁতে, ঘহোঁতে, পঢ়োঁতে ইত্যাদি। একেটা কামকে কৰি থকা বুজাবলৈ -ওঁতে প্ৰত্যয়ান্ত কৃদন্ত পদবোৰ দ্বিত্ব ৰূপতো ব্যৱহাৰ হয়। যেনে,

**হাঁহোঁতে হাঁহোঁতে** পেটৰ নাড়ী ডাল ডাল হ'ল।

**ঘহোঁতে ঘহোঁতে** শিলো ক্ষয় যায়।

**চাওঁতে চাওঁতে** জিকমিক বৰ এটা হ'ল ইত্যাদি।

**ভূতকালিক কৃদন্ত ঃ** ধাতুৰ পাছত সাধাৰণতে **-আ** প্ৰত্যয় যোগ কৰি অতীত বা ভূতকালিক কৃদন্ত গঠন কৰা হয়। এই কৃদন্তবোৰ বিশেষণৰূপে ব্যৱহাৰ হ'ব পাৰে। যেনে, **যোৱা** কথা গ'ল, **কোৱা** কথা, **খোৱা** বস্তু, **ধোৱা** কাপোৰ ইত্যাদি।

কেতিয়াবা উচিত অৰ্থ প্ৰকাশ কৰিবলৈ অতীত কৃদন্তৰ ৰূপৰ পিছত **উচিত শব্দ** ব্যৱহাৰ কৰা হয়। যেনে,

সদায় সন্ধিয়া প্ৰাৰ্থনা **কৰা উচিত।**

মানুহ সদায় বিনয়ী **হোৱা উচিত।**

অতীত কৃদন্তৰ এনেবোৰ ৰূপক কোনোৱে ঔচিত্যাৰ্থক ক্ৰিয়া বুলি ক'ব খোজে।

**-লে -ইলে** আৰু **-লত/-ইলত** প্ৰত্যয় ধাতুৰ পাছত যোগ দিও ভূতকালিক কৃদন্ত গঠন কৰিব পাৰি। অসমাপিকা ক্ৰিয়াৰূপে ব্যৱহৃত ভূতকালিক কৃদন্তই ক্ৰিয়াৰ চৰ্তসাপেক্ষতাও বুজায়। এনে ভূতকালিক কৃদন্ত ব্যৱহাৰ হোৱা বাক্যবোৰৰ দুটা অংশ। যেনে,

তুমি **আহিলে** মই যাম।

তুমি **খালে** সি খাব।

পুলিচ **আহিলত** চোৰবোৰ পলাল।

মাৰ **খালত** সি সঁচা কথাটো কৈ দিলে।

ইয়াত বাক্যৰ প্ৰথম অংশত ব্যৱহৃত **আহিলে,** খালে, **আহিলত, খালত** এই অসমাপিকা ক্ৰিয়াৰ কাৰ্যৰ ওপৰতহে বাক্যৰ পৰৱৰ্তী অংশৰ সমাপিকা ক্ৰিয়া **যাম, খাব, পলাল** আৰু **কৈ দিলে** ৰ কাৰ্য নিৰ্ভৰশীল।

**ভৱিষ্যত কৃদন্ত ঃ** ভৱিষ্যত কালৰ তৃতীয় পুৰুষৰ ক্ৰিয়াৰূপৰ পিছত **-লগীয়া** অনুপদ যোগ দি যিবোৰ যৌগিক শব্দৰ সৃষ্টি কৰা হয়, সেইবোৰেই ভৱিষ্যত কৃদন্ত শব্দ। এই শব্দবোৰ বিশেষণৰূপে নামপদৰ আগত বা পাছত ব্যৱহৃত হয়।

**কৰিবলগীয়া** কামটো আগতে কৰিবা।

**ক'বলগীয়া** কথাটো কৈ দিয়া।

কথাটো বৰ **ধৰিবলগীয়া** নহয়।

কেতিয়াবা একপ্ৰকাৰ বাধ্যতাসূচক ভাৱ প্ৰকাশ কৰিবলৈ ভবিষ্যত কালৰ তৃতীয় পুৰুষৰ ক্ৰিয়া ৰূপৰ পিছত যোগ হোৱা **লাগ্** ধাতুটো বৰ্তমান, ভবিষ্যত আৰু অপূৰ্ণ ভূতকালৰ তৃতীয় পুৰুষৰ ক্ৰিয়াৰূপে ব্যৱহৃত হয়। যেনে,

কথামতে কাম **কৰিব লাগে**।

মই এবাৰ দিল্লীলৈ **যাব লাগিছিল**।

এইবাৰ যেনেতেনে বৰদোৱালৈ **যাব লাগিব**।

ইয়াত **কৰিব লাগে, যাব লাগিছিল, যাব লাগিব** ইত্যাদি ভবিষ্যত কৃদন্তৰে একোটা ৰূপ।

**১২.১১ ধাতুৰূপ (Conjugation) ঃ** ক্ৰিয়াৰ মূল বা ধাতুত পুৰুষ, কাল আৰু ভাৱ অনুযায়ী বিভিন্ন বিভক্তি যোগ কৰি ক্ৰিয়াৰ বিভিন্ন ৰূপ আৰু ব্যৱহাৰ নিৰ্দেশ কৰাই হৈছে ধাতুৰূপ। ধাতুত সাধাৰণতে কালবাচক প্ৰত্যয় আৰু পুৰুষবাচক বিভক্তি যোগ হ'লেহে একোটা সমাপিকা ক্ৰিয়া সম্পন্ন হয়। সংস্কৃতৰ দৰে অসমীয়াত বচন অনুযায়ী ধাতু ৰূপ নহয়।

ধাতুবোৰত বিভক্তি যোগ হোৱাৰ ধৰণলৈ লক্ষ্য কৰি সংস্কৃতৰ দৰে অসমীয়া ধাতুৰূপকো দুটা ভাগত ভগাব পাৰি ঃ

মুখ্য বা মৌলিক ধাতুৰূপ (Primary conjugation)

গৌণ বা সাধিত ধাতুৰূপ (Secondary conjugation)

**১২.১১.১ মুখ্যধাতু ৰূপ ঃ** যিবোৰ ধাতুত কালবাচক প্ৰত্যয় আৰু পুৰুষবাচক বিভক্তি প্ৰত্যক্ষভাৱে যোগ কৰি বিভিন্ন সমাপিকা ক্ৰিয়া গঠন কৰা হয়, সেইবোৰ ধাতুৰ ৰূপক মুখ্য ধাতু ৰূপ বোলা হয়। সমাপিকা ক্ৰিয়া গঠন কৰিবলৈ মুখ্য ধাতুৰূপত যোগ হোৱা কাল, ভাব আৰু পুৰুষবাচক বিভক্তিবোৰ এনেদৰে তালিকা কৰি দেখুৱাব পাৰি ঃ

| কাল | ভাৱ | কালবাচক প্ৰত্যয় | পুৰুষবাচক বিভক্তি | | | |
|---|---|---|---|---|---|---|
| | | | প্ৰথম | দ্বিতীয় | | তৃতীয় |
| | | | | তুচ্চ | মান্য | |
| | অনুজ্ঞা | — | — | -০ | আ | -অক, -ওক |
| নিত্য বৰ্তমান কাল | | — | -ওঁ | -অ | -আ | -এ, -য় |
| স্বৰূপ বৰ্তমান | | -ইছ্ | -ওঁ | -অ | -আ | -এ |
| সাধাৰণভূত | | -ইল্, -ল্ | -ওঁ | -ই | -আ | -এ |
| অপূৰ্ণভূত কাল | | -ইছ্, -ইল্ | -ওঁ | -ই | -আ | -০ |
| ভৱিষ্যত কাল | | -ইব | -ম | -ই | -আ | -০ |